# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-10-2026
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ১৩ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে তামিলনাডুৰ চেন্নাই ভ্ৰমণ কৰিছে।

২। শান্তিপূৰ্ণভাৱে সমবেত হোৱা লোকক অবৈধভাৱে আটক নকৰিবলৈ উচ্চতম ন্যায়ালয়ে নিৰ্দেশ জাৰি কৰিছে।

৩। আজি আন্তঃৰাষ্ট্ৰীয় কন্যা শিশু দিৱস। দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

৪। দেৱী দুৰ্গাৰ আৰাধনাৰ বাবে ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে আজিৰে পৰা নৱৰাত্ৰি পালন কৰা হৈছে। আৰু

৫। ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ইন্দোৰৰ হলকাৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ১৩ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে তামিলনাডুৰ চেন্নাই ভ্ৰমণ কৰিছে। তামিলনাডুৰ মুখ্যমন্ত্ৰী চি যোছেফ বিজয়, তেওঁৰ মন্ত্ৰীসভাৰ অন্যান্য সদস্যসকল আৰু এই আই এ, ডি এম কেৰ সাধাৰণ সম্পাদক তথা প্ৰাক্তন মুখ্যমন্ত্ৰী ইড়াপাড়ী পালানীচামীয়ে প্ৰধানমন্ত্ৰীক আদৰণি জনায়।

শ্ৰী মোদীয়ে পোৰুৰত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। তাত তেওঁ প্ৰায় ৪ হাজাৰ ৯০০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা চেন্নাই মেট্ৰ' ৰে'ল সেৱা মুকলি কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে পোৰুৰ বাইপাছ ষ্টেচনৰ পৰা পুনমল্লী বাইপাছ ষ্টেচনলৈ মুখ্যমন্ত্ৰী চি যোছেফ বিজয়ৰ সৈতে মেট্ৰ' ৰে'লেৰে যাত্ৰা কৰে। পুনমল্লী-পোৰুৰ কৰিডৰত ৩ হাজাৰ ৭০০ মিটাৰ দৈৰ্ঘ্যৰ ডাবল ডেকাৰ পৰিকাঠামো নিৰ্মাণ কৰা হৈছে। চালকবিহীন যাত্ৰা পৰিচালনা কৰাৰ বাবে এই পথছোৱা আধুনিক সংকেত প্ৰণালীৰে সু-সজ্জিত কৰি তোলা হৈছে।

ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ৭৫০ কোটিৰো অধিক টকাৰে নিৰ্মাণ কৰা কেইটামান ৰে'ল আন্তঃগাঁথনি প্ৰকল্পও উদ্বোধন কৰিব। ইয়াৰ ভিতৰত অমৃত ষ্টেচন আঁচনিৰ অধীনত নৱৰূপত সজাই তোলা পলনি, ভেল্লৰ কেণ্টনমেণ্ট, অম্বাসমুদ্ৰম, পৰমকুড়ি আৰু নমক্কল অমৃত ষ্টেচন আছে। শ্ৰীমোদীয়ে পোৰুৰ হ্ৰদৰ সমীপত অৱস্থিত জলকণ্ঠেশ্বৰ মন্দিৰ দৰ্শন কৰিব।

০০০০০০০

শান্তিপূৰ্ণভাৱে সমবেত হোৱা লোকক অবৈধভাৱে আটক নকৰিবলৈ আৰু যান-বাহন চলাচলৰ নীতি-নিয়ম পালন কৰাৰ উপৰি জনসাধাৰণে মুক্ত আহ-যাহ নিশ্চিত কৰিবলৈ উচ্চতম ন্যায়ালয়ে নিৰ্দেশ জাৰি কৰিছে। ন্যায়ালয়ে দিল্লীত বেৰিকেড দিয়াৰ ব্যৱস্থা পুনৰীক্ষণ কৰাৰ বাবে আহ্বান জনোৱাৰ লগতে মেট্ৰ' সেৱাসমূহ স্বাভাৱিকভাৱে চলি থকাতো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি আইন শৃংখলা ৰক্ষাৰ প্ৰয়োজনীয়তা ৰক্ষা কৰিও ইণ্টাৰনেট সেৱা নিৰৱচ্ছিন্ন কৰি ৰাখিবলৈ আহ্বান জনায়। ৰাষ্ট্ৰীয় ৰাজধানীত চলি থকা প্ৰতিবাদৰ সময়তে উচ্চতম ন্যায়ালয়ে এই নিৰ্দেশ জাৰি কৰিছে।

০০০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় কন্যা শিশু দিৱস। কন্যা শিশুসকলৰ অধিকাৰ ৰক্ষা আৰু তেওঁলোকৰ সুৰক্ষাৰ বাবে সচেতনতা সৃষ্টি কৰিবলৈ এই দিৱস পালন কৰা হয়। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে এই দিৱস উপলক্ষে প্ৰচাৰ কৰা বাৰ্তাত কয় যে প্ৰতিগৰাকী কন্যা শিশুৱে শিক্ষা, নেতৃত্বদান আৰু নিজৰ ভৱিষ্যৎ গঢ়াৰ সুযোগ লাভ কৰিব লাগিব। অসমৰ বিভিন্ন জিলাত আজি আন্তঃৰাষ্ট্ৰীয় কন্যা শিশু দিৱসৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিগৰাকী কন্যালৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা প'ষ্টত মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰতিগৰাকী কন্যাৰ সপোন, প্ৰতিভা আৰু সম্ভাৱনাক সন্মান জনাই তেওঁলোকৰ বাবে এখন সুৰক্ষিত সমাজ গঢ়াৰ বাবে ৰাজ্য চৰকাৰ দৃঢ় সংকল্প বুলি প্ৰকাশ কৰিছে। নিযুত মইনাৰ দৰে অভিলাসী আঁচনিয়ে চৰকাৰৰ লক্ষ্য সফল কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

০০০০০০০

সতৰ্কতামূলক ব্যৱস্থাৰ অংশ হিচাপে কালি গ্ৰেপ্তাৰ কৰা ককৰোচ জনতা পাৰ্টীৰ নেতা অভিজিৎ দীপকে, আশুতোষ ৰাংকা আৰু সৌৰভ দাসক মুকলি কৰি দিয়া হৈছে। নতুন দিল্লীৰ এখন বিশেষ কাৰ্যবাহী দণ্ডাধীশ আদালতে আজি নেতা কেইগৰাকীক মুকলি কৰি দিয়ে। দিল্লী আৰক্ষীয়ে প্ৰকাশ কৰা মতে, নেতা তিনিগৰাকীয়ে এবছৰ পৰ্যন্ত শান্তি আৰু সদ আচৰণ বৰ্তাই ৰাখিব বুলি আশ্বাস দিছে। নেতা ৩ গৰাকীক ৫০ হাজাৰ টকাৰ আমানতৰ ধনৰ বিনিময়ত মুকলি কৰি দিয়া হৈছে আৰক্ষীয়ে জানিবলৈ দিছে।

০০০০০০০

সমগ্ৰ দেশত দেৱী দুৰ্গাৰ আৰাধনাৰ বাবে ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে আজিৰে পৰা নৱৰাত্ৰি পালন কৰা হৈছে। নৱৰাত্ৰিৰ সময়ত দেৱী দুৰ্গাক ৯টা ৰূপত পূজা কৰা হয়। নৱৰাত্ৰিৰ প্ৰথম দিনা মা দুৰ্গাক হিমালয়ৰ কন্যা শৈলপুত্ৰীৰ ৰূপত আৰাধনা কৰা হয়। দেৱী শৈলপুত্ৰী শক্তি, সুস্থিৰতা আৰু নতুন আৰম্ভণিৰ প্ৰতীক।

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নৱৰাত্ৰি উপলক্ষে দেশবাসীক ওলগ জনাইছে। উপ-ৰাষ্ট্ৰপতিগৰাকী ৰাধাকৃষ্ণণে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত দেৱী দুৰ্গাৰ আশীৰ্বাদে সকলোকে শক্তি, সাহস আৰু সদ্‌বুদ্ধি প্ৰদান কৰিব বুলি কামনা কৰে। দেৱী জগদম্বাই আশীষেৰে চৰকাৰে এখন শক্তিশালী, সমৃদ্ধিশালী আৰু উন্নত ভাৰত গঢ়াৰ সংকল্প পূৰণ কৰিবলৈ সমৰ্থ হ'ব বুলিও আশা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া বাৰ্তাত দেৱী জগদম্বাৰ আশীষে সকলোৰে জীৱনলৈ সুখ, শান্তি, সমৃদ্ধি আৰু সুস্বাস্থ্যৰ বতৰা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে এই উৎসৱে ৰাষ্ট্ৰীয় একতা মনোভাৱ আৰু দেশৰ প্ৰগতিৰ সংকল্প সুদৃঢ় কৰিব আশা প্ৰকাশ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱাৰ জৰিয়তে দেশ সেৱাৰ লক্ষ্যৰে ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত ২৫ বছৰ সফলতাৰে সম্পূৰ্ণ কৰিছে আৰু সম্পূৰ্ণ দায়ৱদ্ধতাৰে এই সেৱা অব্যাহত ৰাখিছে। সেৱা আৰু সুশাসনৰ লক্ষ্যৰে চৰকাৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে নিৰন্তৰ কাম কৰি আছে। সৰ্বাত্মক বিকাশ আৰু সামাজিক সবলীকৰণৰ জৰিয়তে চৰকাৰৰ এই নিষ্ঠাপূৰ্ণ সেৱাই জনসাধাৰণৰ জীৱনত ৰূপান্তৰ সাধন কৰিবলৈ সমৰ্থ হৈছে। এই শৃংখলাত আজি পদ্ম সন্মানসমূহৰ বাবে বাচনি প্ৰক্ৰিয়া স্বচ্ছ, নিকা আৰু গণতান্ত্ৰিক পদ্ধতিৰে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত ব্যাপক পৰিৱৰ্তন সাধন কৰা সন্দৰ্ভত আলোকপাত কৰা হৈছে।

প্ৰতিবেদন—

২০১৪ চনৰ পাছত পদ্ম সন্মানৰ বাবে বাছনি প্ৰক্ৰিয়াৰ ক্ষেত্ৰত পৰিৱৰ্তন সাধন কৰা হয়। দেশৰ এই সৰ্বোচ্চ অসামৰিক সন্মানক অধিক স্বচ্ছ আৰু গণতান্ত্ৰিক কৰি তোলাৰ বাবে বাচনি প্ৰক্ৰিয়াও সহজ কৰা হয়। এতিয়া দেশৰ যিকোনো এজন নাগৰিকে যোগ্য ব্যক্তিক মনোনীত কৰিব পাৰে। মনোনয়ন দাখিল প্ৰক্ৰিয়া সম্পূৰ্ণভাৱে অনলাইন পদ্ধতিৰে গ্ৰহণ কৰাৰ ব্যৱস্থা কৰা হয়। এই সংশোধনসমূহৰ জৰিয়তে পদ্ম সন্মানক কিছু সংখ্যক লোকৰ মাজত সীমাবদ্ধ নাৰাখি জনতাৰ সন্মানলৈ ৰূপান্তিৰত কৰে। ইয়াৰ জৰিয়তে দেশৰ অতি ভিতৰুৱা, গ্ৰাম্য আৰু উপান্ত শ্ৰেণীৰ জনগোষ্ঠীৰ মাজত তৃণমূল পৰ্যায়ত অসাধাৰণ কাম কৰি থকা অৱহেলিত নায়কসকলক সন্মান জনোৱাৰ ক্ষেত্ৰত নতুন মাত্ৰা প্ৰদান কৰা হয়। প্ৰধানমন্ত্ৰীৰ মন কি বাত অনুষ্ঠানৰ এটা খণ্ডত পদ্ম সন্মানসমূহৰ বিষয়ে উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে পদ্ম সন্মানৰ ব্যৱস্থা সম্পূৰ্ণৰূপে পৰিৱৰ্তন কৰা হৈছে আৰু বৰ্তমান ই ৰাইজৰ পদ্ম সন্মান হিচাপে পৰিগণিত হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী ধন ধান্য কৃষি যোজনাই আজি এবছৰ সম্পূৰ্ণ কৰিছে। সমগ্ৰ দেশৰ ১০০ খন অভিলাসী কৃষি জিলাৰ কৃষি খণ্ড সুদৃঢ় কৰাৰ উদ্দেশ্যে যোৱা বছৰৰ আজিৰ দিনটোতে এই আঁচনিখন আৰম্ভ কৰা হৈছিল। আমাৰ সংবাদদাতাই প্ৰকাশ কৰা মতে, জিলা ভিত্তিক কৃষি আৰশ্যকতা পূৰণ কৰাৰ উদ্দেশ্যে এই আঁচনিৰ জৰিয়তে ১১টা মন্ত্ৰালয় আৰু বিভাগৰ ৩৬ খন কেন্দ্ৰীয় আঁচনিক ৰাজ্য চৰকাৰৰ আঁচনিৰ সৈতে একত্ৰিত কৰা হৈছে আৰু ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণ নিশ্চিত কৰা হৈছে।

কেন্দ্ৰীয় মন্ত্ৰী সভা অনুমোদনৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা বছৰ ১১ অক্টোবৰত এই ছবছৰীয়া উদ্যমৰ শুভাৰম্ভ কৰিছিল। এই উদ্যমৰ অধীনত দেশৰ বিভিন্ন প্ৰান্তৰ ১০০ খন জিলাত জিলা কাৰ্য পৰিকল্পনা সূচক আধাৰিত নিৰীক্ষণ ব্যৱস্থা কাৰ্যকৰি কৰা হৈছে। জিলাভিত্তিক বিশেষ পদক্ষেপে তৃণমূল পৰ্যায়ত কৃষিখণ্ডৰ উন্নয়ণত অৰিহণা যোগাইছে। এই আঁচনিৰ জৰিয়তে কৃষি উৎপাদন বৃদ্ধি, জলসিঞ্চনৰ সুবিধা, ঋণৰ সহজলভ্যতা আৰু খেতি চপোৱাৰ পৰৱৰ্তী পৰ্যায়ৰ আন্তঃগাঁথনিৰ উন্নয়নৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। প্ৰধানমন্ত্ৰীৰ ধন ধান্য আঁচনিৰ ক্ষেত্ৰত জিলা ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত ৩ তৰপীয়া ৰূপায়ণ ব্যৱস্থাৰ দিহা কৰা হৈছে।

স্থানীয় কৃষি আৱশ্যকতা অনুযায়ী জিলা কাৰ্য পৰিকল্পনাসমূহ যুগুত কৰা হয় আৰু ৩৬ খন কেন্দ্ৰীয় আঁচনিৰ ১২১টা সূচকৰ জৰিয়তে অগ্ৰগতিৰ পৰ্যবেক্ষণ কৰা হয়।

০০০০০০০

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ইন্দোৰৰ হলকাৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

ৱেষ্ট ইণ্ডিজে যোৱা শুকুৰবাৰে ৰাঁচীত অনুষ্ঠিত দ্বিতীয়খন খেলত ভাৰতক ৬ উইকেটত পৰাস্ত কৰি শৃংখলাত ১-১ ফলাফলেৰে সমতা স্থাপন কৰে। খেলখনত ৱেষ্ট ইণ্ডিজে ১ অভাৰ তিনিটা বলত বাকী থকা অৱস্থাত ২৫০ ৰাণৰ বিজয় লক্ষ্য অতিক্ৰম কৰে। আলহী দলটোৰ অধিনায়ক ছাই হোপে ৪৫টা বলত ১০২ ৰান কৰাৰ লগতে ছাৰ্ফেন ৰাডাৰফৰ্ডে ৮৪ ৰানৰ বৰঙণি আগবঢ়ায়। ছাই হোপক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০০

সমাপ্ত